www.niyomiyabarta.com

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

□ ১৪৩৩ ভাস্কৰাব্দ □ ১৪ মে' ২০২৬ চন □ VOL-16 □ NO-69 □ THURSDAY 14 MAY 2026 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDITION) PAGE-J1

জন্ম
ম
ার্গৰ জন্ম
শৈলে উৎক্ষেপণ
অৱতৰণ

D.H.S.K. College A.C.C. Library
Estd. 1945
Date............
Dibrugarh, Assam

## কানৈ মহাবিদ্যালয়ৰ শাখা সাহিত্য সভাৰ প্ৰথম বৰ্ষপূৰ্তি উপলক্ষে বক্তৃতানুষ্ঠান

# চিত্ৰকাব্য হৈছে আলোকচিত্ৰ কবিতাৰ মাজৰ এক কথোপকথন ঃ ডাঃ বৰুৱা



**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ১৩ মে' ঃ** 'চিত্ৰকাব্য হৈছে আলোকচিত্ৰ আৰু কবিতাৰ মাজৰ এক কথোপকথন। চিত্ৰকাব্যই কবিতাক এখন ছবিৰ শিৰোনাম হিচাপে ব্যৱহাৰ কৰাৰ পৰিৱৰ্তে ছবিৰ গভীৰলৈ সোমাই যাবলৈ শ্ৰোতাক অনুপ্ৰেৰণা দিয়ে।' ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ৰ শাখা (শতদল) সাহিত্য সভাৰ প্ৰথম বৰ্ষপূৰ্তি উপলক্ষে আয়োজিত এক বক্তৃতানুষ্ঠানত অসম চিকিৎসা মহাবিদ্যালয়ৰ প্ৰসিদ্ধ চিকিৎসক, কবি তথা আলোকচিত্ৰ শিল্পী ডাঃ ৰঞ্জিত বৰুৱাই আজি এইদৰে কয়। 'চিত্ৰকাব্য ঃ এক নতুন শিল্পৰ কথাৰে' শীৰ্ষক এক অনন্য আৰু ব্যতিক্ৰমী বক্তৃতা প্ৰদান কৰি ডাঃ বৰুৱাই কয়— পোহৰৰ সহায়ত সৃষ্টি কৰা আলোকচিত্ৰ আৰু বাকশিল্প দুয়োটাই পৃথক কলা। দুয়োটাকে পৰিপূৰক হিচাপে প্ৰয়োগ কৰি এই নতুন শিল্পশৈলী 'চিত্ৰকাব্য' প্ৰাণ সঞ্চাৰ কৰা হয়। সেয়েহে তেওঁ এই দুই শিল্পক একেলগে আত্মীয় ভগ্নী বুলি

৯ পৃষ্ঠাত

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

□ ১৪ মে' ২০২৬ চন □ VOL-16 □ NO-69 □ THURSDAY 14 MAY 2026 (ডিব্ৰুগড় সংস্কৰণ/DIBRU

ল ৰেহাই
নাৰায়ণ
য ৰাজ্যৰ
ক্যৰে এই
লৈ ছাত্ৰ-
ব লাগে।
াজহ চক্ৰ
লে। কিন্তু
ল।

ল সম্প্ৰতি
উঠিবলৈ
ৱফৰ পৰা
নই বিষয়ে
যে পশ্চিম
জোৰ দিছে
ভাৰতত।
স্যা নাই।
৪৫ দিনৰ
প্ৰয়োজন
যি কৈছে
সংঘাতৰ
কৰিবলৈ
মন্ত্ৰালয়ৰ

## চিত্ৰকাব্য হৈছে আলোকচিত্ৰ-কবিতাৰ মাজৰ এক

অভিহিত কৰে। অৰ্থাৎ কবিতাই ছবিৰ চকু হিচাপে পথ প্ৰদৰ্শকৰ কাম কৰে। কানৈ মহবিদ্যালয়ৰ শাখা সাহিত্য সভাৰ সম্পাদক ড° নিতুমণি শইকীয়াই আঁত ধৰা আৰু ড° তৃষ্ণা দুৱৰা কলিতাই সভাপতিত্ব কৰা অনুষ্ঠানটিত আদৰণী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড় শশীকান্ত শইকীয়াই। আদৰণী ভাষণ প্ৰসংগত অধ্যক্ষ ড° শইকীয়াই কয়— সাহিত্যই মানুহৰ মনত নৈতিক প্ৰমূল্যবোধৰ উন্মেষ কৰি মন সংস্কাৰ কৰে। তেওঁ কয়—সাহিত্যৰ লগত জড়িত হৈ থকা প্ৰতিজন ব্যক্তিয়েই সমাজৰ ভাল-বেয়া, উচিত-অনুচিত, ন্যায়-অন্যায় কথাবোৰ বুজি পায়। সেয়েহে সাম্প্ৰতিক সময়ত সাহিত্য অধ্যয়ন আৰু চৰ্চাৰ অতিশয় প্ৰাসংগিকতা আছে। তেওঁ কয় যে সাহিত্য কেৱল শব্দৰ মায়াজাল নহয়, ই হ'ল এক নিৰৱ বিপ্লৱ। যিয়ে মানুহৰ মনৰ ভিতৰত থকা আন্ধাৰ দূৰ কৰি জ্ঞান আৰু বিবেকৰ পোহৰ বিলায়। সাহিত্যই মানুহৰ মন, মগজু আৰু চৰিত্ৰ গঠনত সহায় কৰে বুলিও তেওঁ কয়। তেওঁ কয়— সহানুভূতি আৰু মানৱীয়তাৰ জাগৰণ, কু-সংস্কাৰ আৰু অন্ধবিশ্বাস আত্মবিশ্লেষণ আৰু মানসিকপৰিপক্কতা দেশপ্ৰেম আৰু জাতীয়তাবোধ উন্মেষৰ ক্ষেত্ৰত সাহিত্যই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এনে উদ্দেশ্য আগত ৰাখিয়েই কানৈ মহাবিদ্যালয়ত সাহিত্য সভাৰ এটা শাখা মুকলি কৰা হৈছিল বুলিও তেওঁ মত প্ৰকাশ কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন প্ৰধ্যাপক ড° ফৰিদা আহমেদ, জ্যেষ্ঠ অধিবক্তা, শিশু সাহিত্যিক তথা ডিব্ৰুগড় জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰসেনজিৎ গোস্বামী আৰু ডাঃ ৰঞ্জিত বৰুৱাক অসম সাহিত্য সভাৰ তৰফৰপৰা অসমীয়া নৱবৰ্ষৰ বিহু ওলগনি জনাই বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সম্বৰ্ধনা গ্ৰহণ কৰি ড° ফৰিদা আহমেদ আৰু প্ৰসেনজিৎ গোস্বামীয়ে মননশীল বক্তব্য প্ৰদান কৰে। উল্লেখ্য যে ডিব্ৰুগড় জিলা সাহিত্য সভাৰ উপ-সভাপতি প্ৰশান্ত নেওগ আৰু সম্পাদক ভাগ্যেশ্বৰ গগৈৰ উপস্থিতিত শতদল শাখা ৰূপে স্বীকৃতি লাভ কৰা কানৈ মহাবিদ্যালয়ৰ শাখা সাহিত্য সভাৰ এশজন সদস্যক আজীৱন সভ্যৰ মানপত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত শতদল শাখাৰ এবছৰ কৰ্মৰ খতিয়ান দাঙি ধৰি শাখাই প্ৰকাশ কৰি উলিওৱা এখন মুখপত্ৰ উন্মোচন কৰা হয়। অনুষ্ঠানত চহৰখনৰ ভালেসংখ্যক গণ্যমান্য ব্যক্তিৰ লগতে মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। বক্তৃতাৰ শেষত বিশিষ্ট বক্তা ডাঃ ৰঞ্জিত বৰুৱাক এখন প্ৰশংসা পত্ৰ আৰু অনুষ্ঠানৰ স্মৃতি বিজড়িত স্থিৰ চিত্ৰৰে উষ্ম সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে সাহিত্য সভাৰ এই শাখাটোৱে যথেষ্ট সক্ৰিয়ভাৱে ভাষা-সাহিত্যৰ হকে কাম কৰি আছে। ইয়াৰ অংশ হিচাপে কানৈ মহাবিদ্যালয়ৰ শতদল শাখা, অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰিবন্ধন উপ-সমিতি আৰু স্বদেশ পটভূমি আলোচনীৰ উদ্যোগত ১০ মে'ত কবি তপন বৰুৱাৰ 'ধ্বংসৰ বিৰুদ্ধে যুদ্ধৰ বিৰুদ্ধে' শীৰ্ষক এখন কাব্যগ্ৰন্থ উন্মোচন কৰে কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই।